Total number of printed pages-4

# District Level Internal Examination Board
## Annual Examination, 2022
## Class - IX
## Sub - Assamese (MIL)

**Time : 3 hours** **Full Marks : 100**

*(The figures in the margin indicate full marks for the questio*

('ক' বিভাগ)

১। অতি চমুকৈ উত্তৰ লিখা ঃ (যিকোনো তিনিটা) ১×৩=৩

(ক) 'বহল ব্যাকৰণ' পুথিখন কাৰ ৰচনা?

(খ) সময়ক কিহৰ লগত তুলনা কৰিব পাৰি?

(গ) উৰাবাতৰি কি?

(ঘ) কোনটো শ্ৰেণীৰ মানুহৰ শত্ৰু সৰহ?

(ঙ) সময় কি গতিত ঘূৰে?

২। তলৰ প্ৰশ্নবোৰৰ চমু উত্তৰ দিয়া ঃ (যিকোনো পাঁচটা) ২×৫=১০

(ক) ব্যৱহাৰ প্ৰণালীক সামান্য কথা বুলি উলাই কিয় কৰিব নোৱাৰি?

(খ) লক্ষণাক্ৰান্ত মানে কি?

(গ) অন্ধবিশ্বাসে সমাজত কেনে ধৰণৰ সমস্যাৰ সৃষ্টি কৰিব পাৰে?

(ঘ) প্ৰাকৃতিক জগত বুলিলে কাক বুজায়?

(ঙ) অন্ধবিশ্বাস, কু-সংস্কাৰৰ চতুৰ্থ কাৰণটো লিখা।

(চ) সময়ৰ জোখ কামতহে, ঘড়ীৰ কাঁইটকেইডালত নাই বুলি কিয় কোৱা হয়?

(ছ) বিনয় ভাৰত দান কৰিব লাগে বুলি জ্ঞানীসকলে কিয় কৈছে?

৩। তলৰ যিকোনো এটি কবিতাৰ মূলভাৱ লিখা ঃ ৫

(ক) মোৰ দেশ (খ) মানৱ বন্দনা

৪। প্ৰসংগ-সংগতি দৰ্শাই ব্যাখ্যা কৰা ঃ (যিকোনো এছোৱা) ৫

(ক) ভাও ভঙ্গি আবে যাইবি কোথা।
খাইবো আজি কৃষ্ণ তোৰ মাথা।।

(খ) মানৱী জনম দিয়া উটুৱাই
মানৱী কৰম সোঁতে,
মানুহৰ মৰম বুজিবা মানুহে
ধৰম যে মৰমতে

৫। তলৰ যিকোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ
(ক) কি কি কাৰণত অন্ধবিশ্বাস, কু-সংস্কাৰৰ দ্বাৰা জনসাধাৰণ প্ৰভাৱিত হয়?
(খ) বিজ্ঞান আৱিষ্কাৰৰ আগতে মানুহে কিহৰ ওপৰত ভিত্তি কৰি সময় সম্পৰ্কে অৱগত হৈছিল?

৬। অতি চমুকৈ উত্তৰ দিয়া ঃ (যিকোনো চাৰিটা) ১×৪=৪
(ক) শ্ৰীকৃষ্ণই শিকিয়াৰ পৰা লৱণু চুৰ কৰি আনি কাক দিছিল?
(খ) শান্তিৰ চৰাইজনীক আঁজলি ভৰাই কবিয়ে কি দিছে?
(গ) মানুহক 'ময়াপী জীৱ' বোলাৰ অৰ্থ কি?
(ঘ) কৃষ্ণ-গীত গোৱা সুন্দৰীগৰাকী কোন?
(ঙ) 'মথনি' শব্দৰ অৰ্থ কি?

৭। তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ দিয়া ঃ ৫
(ক) "সময়ৰ টিকনিডাল হেনো আগফালে"। সময় পাঠটিৰ আলমত কথাখিনি বুজাই লিখা।
(খ) 'সোণৰ জেউতি অমান্য কৰিলে নকমে' — কথাষাৰ বহলাই আলোচনা কৰা।

৮। 'এই যে পৃথিৱী স্বৰ্গতো অধিক
মানুহৰ নিজাপী ঘৰ'
— কথাযাৰৰ অৰ্থ বুজাই লিখা। ২

৯। হীৰেণ ভট্টাচাৰ্য্যই সম্পাদনা কৰা দুখন কাকতৰ নাম লিখা। ২

১০। সময়ৰ শৰ মাৰিব নাজানিলে শৰ পহুৰ মঙহ খাবলৈ আশা কৰা মিছা বুলি কিয় কোৱা হয়? https://www.assamboard.com ৩

১১। তলৰ প্ৰশ্নসমূহৰ নিৰ্দেশানুসৰি উত্তৰ লিখা ঃ (যিকোনো পাঁচটা) ২×৫=১০
(ক) তলৰ যিকোনো দুটা শব্দৰ 'ণ' আৰু 'ষ' হোৱাৰ কাৰণ লিখা -
প্ৰণয়, ৰামায়ণ, ঋষি, কনিষ্ঠ
(খ) সন্ধি ভাঙা - (যিকোনো দুটা)
দেৱাসুৰ, মন্ত্ৰণালয়, প্ৰত্যেক, সংস্কাৰ
(গ) সমাৰ্থক শব্দ লিখা - (যিকোনো দুটা)
আৰম্ভ, পৰ্বত, শিক্ষক, ৰজা
(ঘ) বিপৰীত শব্দ লিখা - (যিকোনো দুটা)

গুণ, জীৱন, সুন্দৰ, ক্ষমা

(ঙ) ব্যাসবাক্যৰে সৈতে সমাসৰ নাম লিখা - (যিকোনো দুটা)

ভাই-ককাই, তেল-পানী, ৰামহঁত, খাব-পিবলৈ

(চ) দুটা যুৰীয়া শব্দৰ উদাহৰণ দিয়া।

(ছ) অনুৰূপ শব্দ কেই প্ৰকাৰে সাধিত হয় লিখা।

১২। ভাৱ সম্প্ৰসাৰণ কৰা ঃ (যিকোনো এছোৱা)

(ক) শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে।

**(খ) যত্ন কৰিলেহে ৰত্ন পায়।**

*নাইবা*

বিদ্যালয়ত অনুপস্থিত থকাৰ কাৰণ দৰ্শাই ছুটী মঞ্জুৰীৰ বাবে তোমাৰ অধ্যক্ষ/অধ্যক্ষা/প্ৰধান শিক্ষক/প্ৰধান শিক্ষয়িত্ৰীলৈ এখন আবেদন লিখা

*নাইবা*

**অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰা ঃ**

**এৰা-ধৰা, কণাৰ লাখুটি, চকু চৰহা, জয়জয় ময়ময়।**

১৩। তলত দিয়া যিকোনো এটি বিষয়ৰ ওপৰত ৰচনা লিখা ঃ

(ক) তোমাৰ প্ৰিয় গ্ৰন্থ

(খ) ছাত্ৰ জীৱনৰ কৰ্তব্য

(গ) অসমৰ বানপানী

১৪। তলৰ যিকোনো দুটা প্ৰশ্নৰ উত্তৰ লিখা ঃ ২×৩=৬

(ক) আহোমসকলৰ আদি ভাষা কি আছিল? আহোমসকলৰ কেইটিমান উৎসৱৰ নাম লিখা।

(খ) কোচ ৰাজবংশীসকলৰ ভাষা আৰু সংস্কৃতিৰ বিষয়ে লিখা।

(গ) কোচ ৰাজবংশীসকলৰ খাদ্য আৰু সাজ-পোছাকৰ বিষয়ে লিখা।

১৫। চমুটোকা লিখা ঃ (যিকোনো দুটা) ২×২=৪

(ক) অম্বিকাচৰণ চৌধুৰী (খ) সতী জয়মতী

(গ) পদ্মনাথ গোহাঞি বৰুৱা (ঘ) অৰুণ কুমাৰ ৰয়

**('খ' বিভাগ)**

১৬। অতি চমুকৈ উত্তৰ দিয়া ঃ ১×৪=৪

(ক) 'কাণীয়াৰ কীৰ্ত্তন'ৰ ৰচক কোন?

**(খ) মাধৱ কন্দলিৰ ৰামায়ণত কেইটা কাণ্ড পোৱা যায়?**

(গ) 'হেমকোষ' কি?

(ঘ) মাধৱ কন্দলিৰ ৰামায়ণত বৰ্তমানে সন্নিবিষ্ট কোনটো কাণ্ড শংকৰদেৱে ৰচনা কৰিছিল?

১৭। 'ঈশ্বৰৰ পাছতে পিতৃ-মাতৃ আমাৰ মাননীয়' — কথাষাৰ বুজাই লিখা। ৫

১৮। লংকানগৰীৰ কাষৰ বন-বননিত হনুমন্তই কি কি ফল-মূলৰ গছ দেখিবলৈ পাইছিল? ৩

১৯। শিক্ষকৰ প্ৰতি ছাত্ৰই মান-সন্মান কিয় ৰাখিব লাগে?

২০। সুৰক্ষিত লংকানগৰী দেখি হনুমন্তৰ মনলৈ কেনেধৰণৰ চিন্তা আহিছিল? ৩

২১। বিপৰীত লিংগবাচক শব্দ লিখা ঃ (যিকোনো দুটা) ১×২=২

ককাই, ধোবা, দেৱী, সদস্য

২২। বিপৰীতাৰ্থক শব্দ লিখা ঃ (যিকোনো দুটা) ১×২=২

আদি, শীতল, কাতৰ, মৌখিক

২৩। তলৰ শব্দবোৰৰ আধুনিক ৰূপ লিখা ঃ (যিকোনো দুটা) ১×২=২

কণ্টকি, পশিলন্ত, ক্ষৌমবস্ত্ৰ, মেলান

২৪। সমাৰ্থক শব্দ লিখা ঃ (যিকোনো এটা) ১

সোঁত, শেষ।